জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২৭/২০২০

**মৈত্ৰী আঁচনিৰ অধীনত নলবাৰী আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ৰাজ্যখনৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাস বুটলিবলৈ আৰক্ষীক অধিক সঁহাৰিপূৰ্ণ মানসিকতাৰে কাম কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসম আৰক্ষীয়ে সম্প্ৰতি শৃংখলাবদ্ধতা আৰু কৰ্তব্য পৰায়ণতাৰ বাবে সমগ্ৰ দেশতে এক উল্লেখযোগ্য আৰক্ষী বাহিনী হিচাপে সুনাম অৰ্জন কৰিছে। আৰক্ষী বাহিনীক অভিনন্দন জনাই মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ জনসাধাৰণৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে ভৱিষ্যতেও অধিক সেৱাৰ মনোভাৱেৰে কৰ্মত ব্ৰতী হ'বলৈ আহ্বান জনায়। আজি নলবাৰীত মৈত্ৰী আঁচনিৰ অধীনত নলবাৰী আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ বৃহৎ জনগাঁথনিৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী বাহিনীত আৰু অধিক লোক নিয়োজিত কৰাৰ বাবে চৰকাৰে পদক্ষেপ লৈ আছে যাতে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তি অগ্ৰাধিকাৰৰ ভিত্তিত সুৰক্ষা প্ৰদান কৰিব পৰা যায়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ আইন-শৃংখলা ৰক্ষা কৰা, জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ সুৰক্ষা প্ৰদান কৰাৰ দিশত অসম আৰক্ষীয়ে অবিৰতভাৱে নিষ্ঠাৰে কৰ্তব্যত নিয়োজিত হৈ আছে। ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা যুঁজখনত অসম আৰক্ষী বাহিনীৰ লোকসকলে আগশাৰীৰ যোদ্ধা হিচাপে কৰ্তব্যত অৱতীৰ্ণ হৈ বহু সংখ্যক আৰক্ষী বাহিনীৰ লোকে ক'ভিডত আক্ৰান্ত হ'বলগীয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ প্লাজমা দান কৰা বিষয়া-কৰ্মচাৰীসকললৈ অভিনন্দন জনোৱাৰ উপৰি এই পদক্ষেপে ক'ভিড আক্ৰান্ত ৰোগীৰ চিকিৎসাত বৃহৎভাৱে সহায় কৰিছে বুলিও কয়। নলবাৰী আৰক্ষী বাহিনীক নতুন আৰক্ষী ভৱন এটা লাভ কৰাৰ বাবে অভিনন্দন জনাই মুখ্যমন্ত্ৰীয়ে যিকোনো সমস্যাৰ বাবে আৰক্ষী থানালৈ অহা লোকসকলৰ প্ৰতি অধিক সঁহাৰিপূৰ্ণ মনোভাৱেৰে কাম কৰাৰ বাবেও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে জনসাধাৰণৰ প্ৰতি অধিক বন্ধুত্বসুলভ আচৰণ প্ৰদৰ্শন কৰিবলৈও আৰক্ষী বাহিনীক আহ্বান জনায় যাতে জনসাধাৰণে আৰক্ষী থানালৈ অহাৰ ক্ষেত্ৰত কোনো ধৰণৰ সংকোচ বোধ নকৰে। ১৯৫৭ চনতে স্থাপিত হোৱা নলবাৰী আৰক্ষী থানাই ইতিহাসৰ বহু স্বাক্ষৰ বহন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে পৰিৱৰ্তিত অপৰাধ বা অপৰাধীৰ প্ৰেক্ষাপটত আৰু অধিক পেচাদাৰী মনোভাৱেৰে কাম কৰাৰ বাবেও আহ্বান জনায় যাতে নলবাৰী আৰক্ষী থানাৰ সুনাম ভৱিষ্যতেও অক্ষুণ্ণ থাকে।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, নলবাৰী বিধানসভা সমষ্টিৰ বিধায়ক অশোক শৰ্মা, বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তইও বক্তব্য প্ৰদান কৰে।

অনুষ্ঠানত অসম আৰক্ষী গৃহ নিৰ্মাণ পৰিষদৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, নলবাৰী জিলাৰ উপায়ুক্ত পূৰবী কোঁৱৰ, আৰক্ষী অধীক্ষক অমনজিৎ কৌৰ, বিশিষ্ট সমাজকৰ্মী উমেশ চন্দ্ৰ চক্ৰৱৰ্তীৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২/০৮/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in